নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আনচাৰসকলৰ বিষয়ে কৈছেঃ "কেৱল মুমিনসকলেহে তেওঁলোকক ভাল পাব, আৰু কেৱল মুনাফিকসকলেহে তেওঁলোকক ঘৃণা কৰিব। গতিকে যিয়ে তেওঁলোকক ভাল পায়, আল্লাহে তাক ভাল পায়, আৰু যিয়ে তেওঁলোকক ঘৃণা কৰে, আল্লাহে তাক ঘৃণা কৰে।

বাৰা ইবনে আঝিব ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আনচাৰসকলৰ বিষয়ে কৈছেঃ "কেৱল মুমিনসকলেহে তেওঁলোকক ভাল পাব, আৰু কেৱল মুনাফিকসকলেহে তেওঁলোকক ঘৃণা কৰিব। গতিকে যিয়ে তেওঁলোকক ভাল পায়, আল্লাহে তাক ভাল পায়, আৰু যিয়ে তেওঁলোকক ঘৃণা কৰে, আল্লাহে তাক ঘৃণা কৰে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, মদীনাৰ আনচাৰসকলক মুহাব্বত কৰাটো হৈছে পূৰ্ণাংগ ঈমানৰ পৰিচয়। কাৰণ তেওঁলোকেই সৰ্বপ্ৰথম ইছলাম আৰু নবী চাল্লাল্লাহু আলাইহি অছাল্লামক সহায়ৰ হাত আগবঢ়াইছিল। লগতে মুছলিমসকলক আশ্ৰয় প্ৰদানৰ বাবে যোঁজা লৈছিল। আনকি নিজৰ ধন-সম্পদকে আদি কৰি নিজৰ প্ৰাণো আল্লাহৰ পথত আহুতি দিছিল। গতিকে তেওঁলোকৰ প্ৰতি বিদ্বেষ পোষণ কৰাটো হৈছে মুনাফিকৰ পৰিচয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে বৰ্ণনা কৰিছে যে, যিয়ে আনচাৰসকলক মুহাব্বত কৰিব, তাক আল্লাহেও মুহাব্বত কৰিব। আনহাতে যিয়ে আনচাৰসকলৰ প্ৰতি বিদ্বেষ পোষণ কৰিব, তাৰ প্ৰতি আল্লাহেও বিদ্বেষ পোষণ কৰিব।

https://sunnah.global/hadeeth/as/show/3438